# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-10-2025
**Time :** 1800 Hrs.

## *Assamese Evening Bulletin*

০০০০০০০০০

যোৰহাট জিলাৰ মৰিয়নি মহাবিদ্যালয় খেলপথাৰত আজিৰে পৰা ৩ দিনীয়াকৈ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ২৯ সংখ্যক দ্বিবাৰ্ষিক অধিবেশন আৰু অসম চাহ জনজাতি মহিলা সমিতিৰ কেন্দ্ৰীয় দ্বিবাৰ্ষিক সাধাৰণ অধিবেশন অনুষ্ঠিত হৈছে। অধিবেশনৰ মুকলি সভাত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। ডঃ শৰ্মাই তেওঁৰ ভাষণত কয় যে অসমৰ জাতীয় জীৱনৰ অন্যতম শক্তিশালী সংগঠন অসম চাহ জনজাতি ছাত্ৰ সন্থাই প্ৰতিষ্ঠা কালৰে পৰা চাহ জনগোষ্ঠী লোকসকলৰ নায্য প্ৰাপ্তিৰ দাবীৰে সংগ্ৰাম কৰি আহিছে। ছাত্ৰ সন্থাই জনগোষ্ঠীটোক শৈক্ষিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিকভাৱে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অবিৰতভাৱে চেষ্টা কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ দুয়োটা সংগঠনকে চাহ জনগোষ্ঠীৰ উত্তৰণৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰী শৰ্মাই অসম বিধানসভাত অহা ২৫ নৱেম্বৰত চাহ জনজাতিৰ লোকসকলৰ সুবিধাৰ্থে এখন বিধেয়ক উত্থাপন কৰা হ'ব বুলি উল্লেখ কৰি কয় যে, এই বিধেয়কৰ জৰিয়তে চাহ বাগিছাৰ মালিকৰ পৰা লাইনৰ মাটি চাহ শ্ৰমিকক দিয়াৰ ব্যৱস্থা কৰা হ'ব। অসমৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চাহ বাগিছাৰ শিক্ষাৰ্থীসকলৰ বাবে ৪ খনকৈ আসন সংৰক্ষণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

**বাইট ঃ মুখ্যমন্ত্ৰী**

ডঃ শৰ্মাই অহা বছৰৰ জানুৱাৰীত চাহ বাগিছা অঞ্চলত এশ খন নতুন হাইস্কুল স্থাপন কৰা হ'ব বুলিও প্ৰকাশ কৰে। বিগত ৭৫ বছৰত চাহ বাগিছা অঞ্চলসমূহত প্ৰাথমিক বিদ্যালয়ৰ বাহিৰে, উচ্চ মাধ্যমিক বা উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন হোৱা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিজেপি চৰকাৰৰ পৃষ্ঠপোষকতাত শেহতীয়াকৈ এনে অঞ্চলসমূহত ১১৫ খন এনে বিদ্যালয় স্থাপন কৰা হৈছে।

০০০০০০০০০

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ আজি এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত মাঙ্গলিক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। শিল্পীগৰাকীৰ সোণাপুৰৰ কমাৰকুছিৰ সমাধিক্ষেত্ৰত আজি ডিমৰীয়াবাসী ৰাইজে গীতা পাঠ, সংকীৰ্তন, সৰ্বধৰ্ম প্ৰাৰ্থনাৰ লগতে এশগৰাকী নামতী দলে নাম-প্ৰসংগ আৰু এশগৰাকী বাঁহীবাদকে শ্ৰদ্ধাঞ্জলি জনায়। নিশালৈ ভাওনা পৰিবেশনৰ ব্যৱস্থা কৰা হৈছে। বৃহত্তৰ বৰপেটা সমাজ, গুৱাহাটীৰ উদ্যোগত লতাশিল খেলপথাৰত জুবিন গাৰ্গৰ মৃত্যুৰ এমাহ উপলক্ষে ১২ ঘণ্টীয়া অখণ্ড থিয় নাম পৰিবেশন কৰা হয়। গুৱাহাটী

মহানগৰীৰ কাহিলীপাৰাৰ ফৰেনচিক বিজ্ঞানাগাৰৰ খেলপথাৰত জুবিন গাৰ্গৰ স্মৃতিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজন কৰা হয়। মাজুলীৰ মুদৈবিল বৰনামঘৰত আজি দিনযোৰা কাৰ্যসূচীৰে জুবিন গাৰ্গৰ মাহেকীয়া তিথি পালন কৰা হয়। বিশ্বনাথ জিলাৰ গহপুৰত অভিনেতা ৰবী শৰ্মাই শিল্পীগৰাকীৰ প্ৰতিমুৰ্তি উন্মোচন কৰে। এই কাৰ্যসূচীটো অৰণ্য মানৱ হিচাপে খ্যাত যাদৱ পায়েঙে  গছপুলি ৰোপণ কৰে। হোজাই জিলাৰ ২ নম্বৰ কাকি চাৰিআলিৰ সমীপত জুবিন গাৰ্গৰ এঘাৰ ফুট উচ্চতাৰ এটা পূৰ্ণাংগ প্ৰতিমুৰ্তি  উন্মোচন কৰা হয়। অনুষ্ঠানত জাতি ধৰ্ম নিৰ্বিশেষে সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০০০০০

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতাৰ মাজতে ৰাজ্যৰ জনসাধাৰণে পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী পালনৰ বাবে সাজু হৈছে। অৱশ্যে এইবাৰ ৰাইজৰ মাজত উৎসৱৰ পূৰ্বৰ আনন্দমুখৰ পৰিবেশে বিৰাজ কৰা নাই। এইবাৰ ৰাজ্যৰ অধিকাংশ লোকেই মাটিৰ চাকিৰে দীপান্বিতা পালন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ বাবে সাজু হৈছে। অৱশ্যে মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা চাকি আৰু অন্যান্য পোহৰৰ সামগ্ৰী বজাৰসমূহত উপলব্ধ হৈছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে ৰাজ্যৰ জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে পৰিবেশৰ প্ৰতি লক্ষ্য ৰাখি দায়বদ্ধ মানসিকতাৰে উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনাইছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত তেওঁ কয় যে কালী পূজাই মানুহৰ মনৰ পৰা ভয় আৰু অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই অন্তৰ্নিহিত শক্তিক জাগ্ৰত কৰাৰ পাঠ দিয়ে।

গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিক্ৰেতাসকলে অস্থায়ী বিপণী মুকলি কৰি দীপাৱলীৰ বাবে চাকি, ফটকাকে ধৰি সামগ্ৰীসমূহ বিক্ৰী কৰিছে। মহানগৰীৰ বাসগৃহসমূহ আলোকমালাৰে সজাই তোলা হৈছে। বিভিন্ন স্বেচ্ছাসেৱী সংস্থাৰ লগতে দল-সংগঠনে শব্দ, বায়ু প্ৰদূষণবিহীন দীপাৱলী পালন কৰাৰ উদ্দেশ্যে আহ্বান জনাইছে। ৰাজ্যৰ প্ৰতিখন জিলাতে দীপাৱলী পালনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বৰপেটাত থলুৱা আতচবাজী বিক্ৰেতাসকলে প্ৰস্তুত কৰা আতচবাজী বজাৰত উপলব্ধ হৈছে।

উজনি অসমৰ গোলাঘাট জিলাৰ লগতে নগাঁও জিলাতো দীপাৱলী উপলক্ষে প্ৰস্তুতি চলিছে। জিলা দুখনৰ ৰাইজে এইবাৰ জাকজমকতা পৰিহাৰ কৰি আৰু পৰম্পৰা বৰ্তাই ৰাখি দীপাৱলী উদযাপন কৰিবলৈ সাজু হৈছে। নগাঁও জিলাৰ মৃৎ শিল্পীসকলে ৩০-৪০ হাজাৰকৈ মাটিৰ চাকি বিক্ৰী কৰিছে। এইবাৰ জিলাখনৰ জনসাধাৰণে মাটিৰ চাকিৰে বাসগৃহৰ চৌদিশ পোহৰোৱাৰ বাবে সাজু হৈছে। একেদৰে বিভিন্ন প্ৰান্তৰ কালী মন্দিৰসমূহত ধৰ্মীয় পৰম্পৰাৰে শ্ৰীশ্ৰী কালী পূজা সম্পন্ন কৰাৰ বাবে প্ৰস্তুতিও প্ৰায় সম্পূৰ্ণ হৈছে।

০০০০০০০০০

**সমাপ্ত**